বিছমিল্লাহিৰ ৰাহমানিৰ ৰাহিম

# খোতবা জুমা

## কৃতজ্ঞতা সন্দৰ্ভত হজৰত মছীহ মাওউদ (আঃ) ৰ বাস্তৱিক আদৰ্শ

أَشْهَدُ أَنْ لَا إِلٰهَ إِلَّا اللهُ وَحْدَهُ لَا شَرِيْكَ لَهُ وَأَشْهَدُ أَنَّ مُحَمَّدًا عَبْدُهُ وَرَسُوْلُهُ أَمَّا بَعْدُ فَأَعُوْذُ بِاللّٰهِ مِنَ الشَّيْطٰنِ الرَّجِيْمِ۔
بِسْمِ اللّٰهِ الرَّحْمٰنِ الرَّحِيْمِ۔ اَلْحَمْدُ لِلّٰهِ رَبِّ الْعٰلَمِيْنَ۔ الرَّحْمٰنِ الرَّحِيْمِ۔ مٰلِكِ يَوْمِ الدِّيْنِ۔
اِيَّاكَ نَعْبُدُ وَاِيَّاكَ نَسْتَعِيْنُ۔ اِهْدِنَا الصِّرَاطَ الْمُسْتَقِيْمَ۔
صِرَاطَ الَّذِيْنَ اَنْعَمْتَ عَلَيْهِمْ غَيْرِ الْمَغْضُوْبِ عَلَيْهِمْ وَلَا الضَّآلِّيْنَ۔

**ছৈয়দিনা হজৰত আমিৰুল মোমিনীন খলিফাতুল মছীহ আল-খামিছ (আইঃ)এ ২১ আগষ্ট ২০২৬ চনত মছজিদ মোবাৰক ইছলামাবাদ (ইউ, কে)ত প্ৰদান কৰা জুমাৰ খোতবাৰ সাৰাংশ**

তাশ্বাহুদ তাউজ আৰু ছুৰা ফাতিহা পাঠৰ পিছত হুজুৰ আনোৱাৰ (আইঃ) এ কৈছে,
হজৰত মছীহ মাওউদ আলাইহিছ ছালাতু ৱাছ্ছালামে তেখেতৰ অনুগামীসকলক (ছাহাবীসকলক) আল্লাহ তা'লাৰ নিয়ামতসমূহৰ বাবে গভীৰভাৱে কৃতজ্ঞতা প্ৰকাশ কৰিবলৈ দৃষ্টি আকৰ্ষণ কৰিছিল। হজৰত পীৰ চিৰাজুল হক্ ছাহেব নোমানীয়ে বৰ্ণনা কৰে যে, এবাৰ হজৰত মছীহ মাওউদ আলাইহিছ ছালামে তেখেতৰ পৰা মিঞা বখশ নামৰ এজন মানসিক ভাৰসাম্যহীন (উন্মাদ) ব্যক্তিৰ সৈতে হোৱা কাজিয়াৰ বিষয়ে সবিশেষ সুধিছিল। তেখেতে বুজাইছিল যে উন্মাদ ব্যক্তি হিচাব-নিকাচৰ উৰ্ধত (মৰ্ফু-উল-কলম) হয়, সেয়েহে এনে ব্যক্তিৰ সৈতে তৰ্ক-বিতৰ্ক কৰাৰ পৰিৱৰ্তে সদ্ব্যৱহাৰ কৰাহে উচিত। মানুহে এনে লোকসকলক মজজুব, ওলীউল্লাহ আৰু কুতুব ছাহেব বুলি কয়, যিটো ভুল। প্ৰকৃততে এই লোকসকল বহুতো নিয়ামতৰ পৰা বঞ্চিত। তেওঁলোক জ্ঞান, বুদ্ধি, সাজ-পাৰ, খোৱা-বোৱাৰ স্বাদ, স্ত্ৰী-সন্তান আৰু সিহঁতৰ প্ৰতিপালনৰ নিয়ামত, আল্লাহ তা'লাৰ পৰিচয় আৰু সততা, তেওঁৰ সত্তা আৰু গুণাৱলীৰ জ্ঞান, ৰছুল আৰু নবীৰ মৰ্যাদা আৰু অনুসৰণ, পৱিত্ৰ কোৰআনৰ তিলাৱত আৰু ইয়াৰ অৰ্থ, ৰহস্য, জ্ঞান আৰু তাৎপৰ্য, চৰিয়ত আৰু তৰীকত, তথা নামাজ, ৰোজা, হজ আৰু জাকাতৰ জৰিয়তে পোৱা পুণ্য আৰু মৰ্যাদাৰ পৰা বঞ্চিত হৈ থাকে।
হজৰত মছীহ মাওউদ আলাইহিছ ছালামে কৈছে যে, এনে লোকসকলক দেখি তৰ্ক কৰাৰ পৰিৱৰ্তে আল্লাহ তা'লাৰ ধন্যবাদ জ্ঞাপন কৰা উচিত যে তেওঁ আমাক এই নিয়ামতসমূহৰ পৰা বঞ্চিত কৰা নাই। তেওঁ আমাক জ্ঞান আৰু বুদ্ধি প্ৰদান কৰিছে, পৱিত্ৰ কোৰআনৰ তিলাৱত আৰু ইয়াৰ জ্ঞান, ৰহস্য, আধ্যাত্মিক জ্ঞান আৰু সূক্ষ্ম তত্ত্বসমূহৰ দ্বাৰা লাভবান কৰিছে হালাল আৰু হাৰামৰ পাৰ্থক্য বুজোৱাৰ লগতে ৰছুলসকলক চিনাক্ত কৰাৰ তৌফিক দিছে আৰু নিজৰ সত্তা আৰু গুণাৱলীৰ জ্ঞান প্ৰদান কৰিছে। সেয়েহে প্ৰতিজন আহমদীয়ে এই কথা আত্ম-বিশ্লেষণ কৰা উচিত যে তেওঁ আল্লাহ তা'লাৰ প্ৰতি কৃতজ্ঞতাৰ হক কিমান দূৰ আদায় কৰি আছে।

এই কৃতজ্ঞতাৰেই এক অতি প্ৰভাৱশালী ঘটনা হজৰত মালিক মহম্মদ হাছান ছাহেবে বৰ্ণনা কৰিছে। হুজুৰে যেতিয়া ফজৰৰ নামাজৰ বাবে উপস্থিত হৈছিল, নামাজৰ অন্তত খাদিমসকলক সুধিলে যে ৰাতি ক'ত চাৰংগী আৰু তম্বুৰা বাজি আছিল। তেতিয়া জনোৱা হ'ল যে মিৰ্জা নিজামুদ্দিন ছাহেবে নাচনী (কঞ্চনী) মাতি আনিছিল।
আৰু ৰাতিৰ বাবে বিশ টকা দিয়াৰ প্ৰতিশ্ৰুতি দিছিল, সেয়েহে তাই গোটেই ৰাতি নাচি আৰু গাই আছিল। হুজুৰে দীঘলকৈ হুমুনিয়াহ কাঢ়ি ক'লে: আল্লাহ, তাই কিমান নিমখ হালাল। অৰ্থাৎ সেই মহিলাগৰাকী বিশ টকাৰ বিনিময়ত গোটেই ৰাতি সাৰে থাকিল, অথচ আমি আমাৰ প্ৰকৃত স্ৰষ্টা আৰু মালিকৰ বাবে এঘণ্টা বা দুঘণ্টাও সাৰে থাকিব নোৱাৰো, যিজনে আমাক অগণন আশীৰ্বাদ প্ৰদান কৰিছে। তেখেতে এই কথা কেইবাবাৰো দোহাৰিছিল আৰু কৈছিল যে আমি আল্লাহ তা'লাৰ অসংখ্য নেয়ামতৰ (আশীৰ্বাদৰ) শলাগ নলওঁ, নফল আৰু নামাজৰ প্ৰতি মনোযোগ নিদিওঁ আৰু ফজৰৰ নামাজৰ বাবে উঠাটোও আমাৰ বাবে কঠিন হৈ পৰে।
হুজুৰে কৈছে! সেয়েহে প্ৰতিজন আহমদীয়ে এই সন্দৰ্ভত নিজকে পৰ্যালোচনা কৰা উচিত যে আমি কিমান দূৰ আল্লাহ তা'লাৰ প্ৰতি কৃতজ্ঞতা প্ৰকাশৰ অধিকাৰ আদায় কৰি আছোঁ।
হজৰত শ্বেখ মহম্মদ ইছমাইল চাহেব চৰ্দাৱীয়ে বৰ্ণনা কৰিছে যে হুজুৰৰ অভ্যাস আছিল যে খাদ্য খোৱাৰ সময়ত তেখেতে ছুবহানাল্লাহ, 'আলহামদুলিল্লাহ' কৈছিল আৰু এনেদৰে খাইছিল যেন কিবা বস্তু বিচাৰি ফুৰিছে। হজৰত মুছলেহ মাওউদ (ৰাঃ) য়ে বৰ্ণনা কৰিছে যে হজৰত মছীহ মাওউদ আলাইহিচ্ছালাতু ৱাচ্ছালামে ৰুটীৰ সৰু টুকুৰা এটা মুখত লৈ ভালদৰে চোবাই খাইছিল, একেবাৰে ডাঙৰ গৰাহ লোৱা নাছিল আৰু লগতে ছুবহানাল্লাহ ছুবহানাল্লাহ কৈ গৈছিল। তাৰ পিছত কিছু সময়ৰ মূৰত তাৰ পৰা কোনোবা এটা টুকুৰা আঙ্গাত লগাই খাইছিল। এনেদৰে খাদ্যৰ দৰে সাধাৰণ যেন লগা নেয়ামততো আল্লাহ তা'লাৰ প্ৰতি তেখেতৰ কৃতজ্ঞতা প্ৰকাশ পাইছিল।
হজৰত ছৈয়দ জয়নুল আবেদিন ওলীউল্লাহ শ্বাহ চাহেবে বৰ্ণনা কৰিছে যে যেতিয়া অঞ্চল বা চহৰত প্লেগ মহামাৰী দেখা দিছিল, তেতিয়া হজৰত মছীহ মাওউদ আলাইহিচ্ছালামে নিজৰ ঘৰ, বৰ্ডিং হাউচ আৰু সকলো বন্ধু-বান্ধৱৰ ঘৰ পৰিষ্কাৰ কৰাৰ ব্যৱস্থা কৰিছিল আৰু গন্ধক, জুই, ফিনাইল আৰু গুগুল আদিৰে বীজাণু ধ্বংস কৰিবলৈ নিৰ্দেশ দিছিল। তেখেতে কৈছিল যে কাৰণ বা উপায়সমূহ অৱলম্বন কৰাটোও আল্লাহ তা'লাৰ নেয়ামতৰ প্ৰতি কৃতজ্ঞতা জ্ঞাপন কৰা। আল্লাহ তা'লাই এনেকুৱা বস্তু সৃষ্টি কৰিছে যিবোৰ বেমাৰ আৰু মহামাৰীৰ প্ৰভাৱ দূৰ কৰাৰ মাধ্যম হয়। সেয়েহে উপায়বোৰ ত্যাগ কৰাটো ঐশ্বৰিক বিধানৰ (শ্বৰীয়তৰ) বিৰোধী। অৱশ্যে, তাৱাক্কুলৰ (ভৰসাৰ) স্থান ইয়াৰ পিছতহে আহে যে উপায়সমূহ গ্ৰহণ কৰি কেৱল তাৰ ওপৰতেই ভৰসা কৰা অনুচিত, বৰঞ্চ প্ৰতিটো উপায়ৰ আঁৰত খোদা তা'লাৰ হাতখন দেখা পাব লাগে।
হজৰত মহম্মদ ইব্ৰাহিম চাহেবে এটা ঘটনা বৰ্ণনা কৰিছে যে ১৯০৪ চনত গুৰদাসপুৰত কৰম দীনৰ গোচৰ সন্দৰ্ভত থকাৰ সময়ত এজন বন্ধুৱে সতেজ পকা খেজুৰ আনিছিল। কোনোবাই সেইবোৰ গৰম বুলি কোৱাত কোৱা হ'ল যে পিয়াঁজ খালে তাৰ প্ৰভাৱ নাইকিয়া হৈ যায়। হজৰত মছীহ মাওউদ আলাইহিচ্ছালামে ক'লে যে আল্লাহ তা'লাই বৰ সুন্দৰ ব্যৱস্থা কৰিছে যে প্ৰতিটো বস্তুৰ প্ৰতিকাৰকো মজুত আছে। তেখেতে আম, জামুক, কল আৰু কেঁচা চাউলৰ উদাহৰণ দিলে আৰু তাৰ পিছত মানুহৰ বাবে আল্লাহ তা'লাই কৰি থোৱা আধ্যাত্মিক আৰু শাৰীৰিক শ্ৰেষ্ঠ ব্যৱস্থাসমূহৰ কথা উল্লেখ কৰি ক'লে যে মানুহে এইবোৰৰ কৃতজ্ঞতা আদায় কৰিব নোৱাৰে।
হজৰত মছীহ মাওউদ আলাইহিচ্ছালামে ৰোগৰ পৰা আৰোগ্য লাভ কৰাৰ পিছতো আল্লাহ তা'লাৰ ধন্যবাদ জ্ঞাপন কৰিছিল। কিতাপ 'তাজকিৰাতুছ শ্বাহাদাতাইন' লিখি থকাৰ সময়ত তেখেতৰ তীব্ৰ বৃক্কৰ (কিডনীৰ) বিষ অনুভৱ হৈছিল আৰু তেখেত (আঃ) য়ে ভাবিছিল যে হয়তো এই ৰচনাখন সম্পূৰ্ণ নহ'ব পাৰে। ৰাতি তেখেত (আঃ) য়ে ঘৰৰ

মানুহক গোট খুৱাই দোৱা (প্ৰাৰ্থনা) কৰিলে আৰু ছাহেবজাদা মৌলৱী আব্দুল লতিফৰ কথা স্মৰণ কৰি দোৱা কৰিলে যে আল্লাহ তা'লাই এই কিতাপখন সম্পূৰ্ণ কৰাৰ তৌফিক (সামৰ্থ্য) প্ৰদান কৰক। দোৱাৰ পিছত তেখেত (আঃ)ৰ টোপনি ভাব আহিল আৰু ইলহাম (প্ৰত্যাদেশ) হ'ল: "ছালামুন ক্বাওলাম মিৰ ৰাব্বিৰ ৰাহীম।" ৰাতিপুৱা ছয় বজাৰ আগতে তেখেত সম্পূৰ্ণ সুস্থ হৈ উঠিল আৰু সেইদিনাই প্ৰায় আধা কিতাপ লিখি উলিয়ালে। শেষত তেখেতে কলে, "ফালহামদুলিল্লাহ আলা যালিকা" (অৰ্থাৎ: ইয়াৰ বাবে আল্লাহৰ প্ৰতি সকলো প্ৰশংসা)।

হজৰত মছীহ মাওউদ আলাইহিচ্ছালামে 'বৰাহীন-এ-আহমদীয়া' ৰচনা আৰু প্ৰকাশনত আৰ্থিক সাহায্য প্ৰদান কৰা লোকসকলৰ নামো অন্তৰ্ভুক্ত কৰিছিল আৰু তেওঁলোকৰ বাবে প্ৰাৰ্থনা কৰিবলৈ আহ্বান জনাইছিল। এই সহায়কসকলৰ মাজত এনেকুৱা লোকো আছিল যিয়ে পাঁচ টকা, দুই টকা, আনকি দুই অনাও দিছিল। তেখেতে এই সকলো সহায়কক ধন্যবাদ জ্ঞাপন কৰি কৈছিল যে তেওঁলোকৰ উদাৰ মনোযোগৰ বাবে ধৰ্মীয় উদ্দেশ্যসমূহ নষ্ট হোৱাৰ পৰা ৰক্ষা পৰিল আৰু কষ্টবোৰ অথলে যোৱাৰ পৰা বাচি গ'ল। তেখেতে তেওঁলোকৰ নাম এই কাৰণেও অন্তৰ্ভুক্ত কৰিছিল যাতে যিসকল লোকে কিতাপখনৰ পৰা লাভৱান হয়, তেওঁলোকে তেখেতৰ আৰু সহায়কসকলৰ বাবে মংগল কামনা কৰি প্ৰাৰ্থনা কৰে।

হজৰত মিঞা মনজুৰ মহম্মদ চাহাবৰ কথা উল্লেখ কৰি হজৰত মছীহ মাওউদ আলাইহিচ্ছালামে তেওঁৰ কপি লিখাৰ সেৱা আৰু আন্তৰিকতাৰ বাবে ধন্যবাদ জ্ঞাপন কৰে। তেখেতে বৰ্ণনা কৰিছিল যে তেওঁ কেৱল পৃথিৱীৰ বাবে নহয়, বৰং কেৱল ধৰ্মৰ প্ৰতি থকা ভালপোৱাৰ বাবেহে কাম কৰে আৰু নিজৰ ঐকান্তিকতাৰে সেৱা আগবঢ়ায়। তেখেতে এই ধৰণৰ নিষ্ঠাবান সহায়কসকলক আল্লাহ তা'লাৰ কৃপা বুলি অভিহিত কৰিছিল আৰু তেওঁলোকৰ সেৱাক নিজৰ ধৰ্মীয় কামসমূহ সম্পূৰ্ণ কৰাৰ বাবে সহায়ক হিচাপে গণ্য কৰিছিল।

হজৰত শ্বেইখ য়াকুব আলী চাহাব ইৰফানীয়ে বৰ্ণনা কৰিছে যে হজৰত মছীহ মাওউদ আলাইহিচ্ছালামে সেৱকসকলৰ সৰু সৰু কামৰো মৰ্যাদা দিছিল আৰু তেওঁলোকক উৎসাহিত কৰিছিল। যেতিয়া কোনো কিতাপ বা আলোচনী সোনকালে প্ৰকাশ কৰাৰ প্ৰয়োজন হৈছিল আৰু ৰাতিও কাম কৰা হৈছিল, তেতিয়া প্ৰেছৰ কৰ্মীসকলৰ বাবে বিশেষ গুৰুত্ব দি গাখীৰ আৰু অন্যান্য সামগ্ৰী যোগান ধৰিছিল, স্বাভাৱিকতকৈ বেছি মজুৰি দিছিল আৰু তেওঁলোকৰ কামৰ প্ৰতি আনন্দ আৰু কৃতজ্ঞতা প্ৰকাশ কৰিছিল।

হজৰত মুছলেহ মাওউদ ৰাজিয়ল্লাহু তা'লা আনহুৱে কয় যে নবীসকলৰ হৃদয় অতিশয় কৃতজ্ঞতাস্বৰূপ হয়। যেতিয়া হজৰত মছীহ মাওউদ আলাইহিচ্ছালামৰ কিতাপসমূহ দিন-ৰাতি ছপা হৈছিল, তেতিয়া তেখেতে বহু ৰাতি শুবলৈ পোৱা নাছিল, কিন্তু যদি ৰাতি কোনো ব্যক্তিয়ে প্ৰুফ লৈ আহে, তেন্তে তেওঁৰ মাত শুনি তেখেতে নিজেই উঠি গৈ প্ৰুফ লৈছিল আৰু কৈছিল: জাজাকাল্লাহু আহছানাল জাজা (আল্লাহে আপোনাক উত্তম পুৰস্কাৰ দিয়ক)। তেখেতে সেই ব্যক্তিজনৰ কষ্ট অনুভৱ কৰিছিল আৰু কৈছিল যে খোদাই তেওঁক উত্তম প্ৰতিদান দিয়ক। ইয়াৰ পৰা প্ৰমাণ হয় যে নবীসকলৰ হৃদয়ত আনৰ উপকাৰ আৰু কষ্টৰ প্ৰতি গভীৰ অনুভূতি থাকে।

হাফিজ নবী বখশ চাহাবৰ বৰ্ণনা অনুসৰি, এবাৰ হজৰত মছীহ মাওউদ আলাইহিচ্ছালামে বাগিচাত ফুৰিবলৈ গৈছিল। তেখেতৰ হাতত এডাল বেতৰ লাখুটি আছিল যিডাল গছত লাগি ধৰিছিল। কেইবাজনো সংগীয়ে সেয়া নমাবলৈ চেষ্টা কৰিছিল যদিও সফল হোৱা নাছিল। নবী বখশ চাহাবে গছত উঠি লাখুটিডাল নমাই আনিছিল। হজৰত মছীহ মাওউদ আলাইহিচ্ছালাম ইয়াত বহুত সুখী হৈছিল আৰু বাৰে বাৰে তেওঁৰ প্ৰশংসা কৰি কৈছিল যে মিঞা নবী বখশে আচৰিত কাম কৰিলে, গছত উঠি লগে লগে লাখুটিডাল নমাই আনিলে। তেখেতে সৰু-বৰ সকলোকে সন্মানৰে সম্বোধন কৰিছিল।

ড° মীৰ মহম্মদ ইছমাইল চাহাবে বৰ্ণনা কৰিছে যে যেতিয়া কোনো ব্যক্তিয়ে হজৰত চাহাবৰ বাবে উপহাৰ লৈ আনিছিল, তেতিয়া তেখেত অতিশয় কৃতজ্ঞ হৈছিল আৰু ঘৰতো সেই ব্যক্তিজনৰ আন্তৰিকতাৰ বিষয়ে উল্লেখ কৰিছিল। হজৰত মিৰ্জা বশ্বিৰ আহমদ চাহাবে আন এটা ঘটনা বৰ্ণনা কৰিছে যে যেতিয়া ড° খলিফা ৰছিদ-উদ-দীন চাহাবে আগ্ৰাৰ পৰা কাদিয়ানলৈ আহিছিল, তেতিয়া তেওঁ হজৰত চাহাবৰ বাবে খুৰমা (বালুশাহীৰ দৰে এবিধ মিঠাই) লৈ আনিছিল। এবাৰ হজৰত মছীহ মাওউদ আলাইহিচ্ছালামে ৰাতিপুৱাৰ পৰা একো খোৱা নাছিল, কিন্তু যেতিয়া তেখেতে গম পালে যে আগ্ৰাৰ পৰা তেখেতৰ বাবে খুৰমা অনা হৈছে, তেতিয়া তেখেত বহুত সুখী হৈছিল, সেইবোৰ পছন্দ কৰিছিল আৰু তাৰ প্ৰশংসা কৰিছিল।

গুৰদাসপুৰত কৰম দীনৰ গোচৰৰ সময়ত আৰ্থিক অনাটনৰ কালছোৱাত ডাক্তৰ খলিফা ৰছিদ-উদ-দীন চাহাবে তেওঁৰ ঘৰত থকা সকলো সা-সম্পত্তি পঠিয়াই দিছিল আৰু ভৱিষ্যতৰ উপাৰ্জনো পঠিয়াই আছিল। হজৰত মছীহ মাওউদ (আঃ) য়ে তেওঁৰ এই ত্যাগ উপলব্ধি কৰি তেওঁলৈ লিখিছিল যে আপুনি ত্যাগৰ সীমা অতিক্ৰম কৰিছে, এতিয়া আৰু চান্দা (বৰঙণি) দিয়াৰ প্ৰয়োজন নাই। হজৰত মুছলেহ মাওউদ (ৰাঃ) য়ে কয় যে আগতে তেওঁ কৰ্তব্য হিচাপে চান্দা দিছিল আৰু পাছলৈ কৃতজ্ঞতা স্বৰূপেও দিছিল।

হজৰত মুছলেহ মাওউদ (ৰাঃ) য়ে কয় যে হজৰত মছীহ মাওউদ (আঃ) য়ে তেওঁৰ সন্তানসকলক 'অছিয়ত'ৰ চান্দাৰ পৰা ৰেহাই দিছিল, কিন্তু ৰছুল কৰীম (ছাঃ)ৰ বাণী افلا اكون عبدا شكورا " (অৰ্থাৎ মই এজন কৃতজ্ঞ বান্দা নহ'ম নেকি?) মনত পৰিল। সেয়েহে, মই কৃতজ্ঞতা স্বৰূপে চান্দা দিবলৈ আৰম্ভ কৰিলোঁ আৰু মোৰ চান্দা মুছীসকলতকৈ (অছিয়ত কৰোঁতাসকলতকৈ) বেছি হৈ গ'ল। তাৰ পাছত মোৰ ইলহাম (প্ৰত্যাদেশ) হ'ল: اعملوا اٰل داؤد شكرا۔ (হে দাউদৰ পৰিয়াল, কৃতজ্ঞতাৰ কাম কৰা)। সেয়েহে মই কৃতজ্ঞতা স্বৰূপে বহুত চান্দা দিছিলোঁ।

হুজুৰে কয়: হজৰত মছীহ মাওউদ (আঃ) ৰ অছিয়ত অনুসৰি এই ৰেহাই কেৱল তেওঁৰ পাঁচটা সন্তানৰ বাবেহে আছিল, তেওঁলোকৰ সন্তান, পুত্ৰ-বোৱাৰী বা জীয়ৰী-জোঁৱাইৰ বাবে নাছিল; যিয়েই অছিয়ত কৰিব, তেওঁ অছিয়তৰ চান্দা আৰু সম্পত্তিৰ অংশ দিব লাগিব। বেহেশ্বতী মকবাৰা (স্বৰ্গীয় সমাধি)ত সমাধিস্থ কৰাৰ অনুমতিও কেৱল এই পাঁচটা সন্তানৰ বাবেই আছিল, তথাপিও হজৰত আম্মা জান আৰু তেখেত (আঃ) ৰ সন্তানসকলে বহুতো ত্যাগ স্বীকাৰ কৰিছিল। হজৰত মুছলেহ মাওউদ (ৰাঃ)ৰ পিছত কোনো খলিফা বা পৰিয়ালৰ সদস্যৰ বাবে ৰেহাই নাছিল; সকলোৱে অছিয়ত কৰিছিল, চান্দা দিছিল আৰু নিজৰ সামৰ্থ্য অনুসৰি অন্যান্য তাহৰীকবোৰতো (আঁচনিবোৰতো) অংশগ্ৰহণ কৰিছিল। এই ৰেহাই কেৱল সেই পাঁচটা সন্তানক দিয়া হৈছিল, মই এইটো স্পষ্ট কৰিছোঁ কাৰণ কিছুমান ঠাইৰ পৰা মোৰ ওচৰলৈ এটা প্ৰশ্ন আহিছিল।

হজৰত মিয়াঁ ছদৰ-উদ্দীন চাহাবে বৰ্ণনা কৰিছে যে এবাৰ হজৰত মছীহ মাওউদ (আঃ) য়ে চিৰাগ নামৰ পিয়নজনক এক পইচা দি ৰেউড়িয়া (এক প্ৰকাৰৰ মিঠাই) আনিবলৈ দিছিল। যেতিয়া ৰেউড়িয়াবোৰ আহিছিল, তেখেত (আঃ) য়ে সেইবোৰ দুভাগ কৰি এভাগ তেওঁক দিবলৈ লৈছিল। যেতিয়া তেওঁ ল'বলৈ অস্বীকাৰ কৰিলে, তেতিয়া তেখেত (আঃ) ক'লে যে পইচা মোৰ আছিল কিন্তু পৰিশ্ৰম তোমাৰ, তুমি লৈ আহিছা, সেয়েহে আধা তোমাৰ। এয়াও আনৰ কামৰ প্ৰতি মূল্যায়ন আৰু কৃতজ্ঞতা প্ৰকাশৰ এক ধৰণ আছিল।

এবাৰ বাটালাত বন্ধুসকলে চাহৰ ব্যৱস্থা কৰিছিল। হজৰত মছীহ মাওউদ (আঃ) য়ে চাহ পৰিৱেশন কৰোঁতাসকলৰ বিষয়ে খবৰ লৈছিল আৰু তেওঁলোকৰ সেৱাৰ বাবে ধন্যবাদ জ্ঞাপন কৰিছিল। পাছত বাতৰিকাকতৰ যোগেদি সেই লোকসকলৰ সেৱাৰ কথা ঘোষণা কৰি ধন্যবাদ জনাইছিল। ইয়াৰ পৰা এইটো জনা যায় যে তেখেত (আঃ) কাৰোবাৰ সৰু সেৱাকো আওকাণ কৰা নাছিল, বৰঞ্চ তাৰ মূল্যায়ন কৰিছিল আৰু ধন্যবাদ জনাইছিল।

আল্লাহ তালাই আমাকো কৃতজ্ঞতাৰ উচ্চ মানদণ্ড গ্ৰহণ কৰাৰ তৌফিক (সামৰ্থ্য) দান কৰক।

اَلْحَمْدُ لِلّٰہِ نَحْمَدُہٗ وَنَسْتَعِیْنُہٗ وَنَسْتَغْفِرُہٗ وَنُؤْمِنُ بِہٖ وَنَتَوَکَّلُ عَلَیْہِ وَنَعُوْذُ بِاللّٰہِ مِنْ شُرُوْرِ اَنْفُسِنَا وَمِنْ سَیِّئَاتِ
اعْمَالِنَا مَن یَّھْدِہِ اللّٰہُ فَلاَ مُضِلَّ لَہُ وَمَنْ یُّضْلِلْہُ فَلاَ ھَادِیَ لَہُ وَنَشْھَدُ أَنْ لَآ اِلٰہَ اِلاَّ اللّٰہُ وَنَشْھَدُ اَنَّ مُحَمَّدًا عَبْدُہٗ
وَرَسُوْلُہٗ عِبَادَ اللّٰہِ رَحِمَکُمُ اللّٰہُ اِنَّ اللّٰہَ یأْمُرُ بِالْعَدْلِ وَالْاِحْسَانِ وَاِیْتَآءِ ذِی الْقُرْبٰی وَیَنْھٰی عَنِ الْفَحْشَآءِ وَالْمُنْکَرِ
وَالْبَغْيِ یَعِظُکُمْ لَعَلَّکُمْ تَذَکَّرُوْنَ اُذْکُرُوا اللّٰہَ یَذْکُرْکُمْ وَادْعُوْہُ یَسْتَجِبْ لَکُمْ وَلَذِکْرُ اللّٰہِ اَکْبَرُ ۔

Assamese Khulasa Khutba Hazur Anowar 21 Aug 2026

Nazarat Nashor-O-Ishaat Qadian